# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 26-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

::::::::::::::::::::::::::::::::

গুণোৎসৱ, ২০২৫-ৰ ফলাফল কাইলৈ ঘোষণা কৰা হ'ব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত চলিত বৰ্ষৰ গুণগত মানৰ ঐক্যসাজ প্ৰদান আৰু মুক্ত, নিকা তথা স্বচ্ছভাৱে মূল্যায়ন কাৰ্যসূচী অনুষ্ঠিত কৰাৰ বাবে বাছনিকৃত তিনিখন জিলাক প্ৰশংসামূলক বঁটা প্ৰদান কৰা হ'ব। ইয়াৰ উপৰি অনুষ্ঠানত আৰোহণ কাৰ্যসূচীৰ অধীনত ৪ হাজাৰ ৩২০ গৰাকী শিক্ষাৰ্থীক টেবলেট প্ৰদান কৰা হ'ব আৰু যোৱাবছৰৰ গুণোৎসৱত এ প্লাছ গ্ৰেড লাভ কৰা ১১ হাজাৰ ৫৯৪ খন বিদ্যালয়ক উৎকৃষ্টতাৰ স্বীকৃতি আৰু ২৫ হাজাৰ টকাকৈ উদ্গনিমূলক অনুদান আগবঢ়োৱা হ'ব। উল্লেখযোগ্য যে ৰাজ্যৰ প্ৰতিগৰাকী শিক্ষাৰ্থীক গুণগত শিক্ষা দানৰ সংকল্পৰে চৰকাৰে ২০১৭ চনৰ পৰা অনুষ্ঠিত কৰি অহা গুণোৎসৱত এইবেলি ৪৪ হাজাৰ ৭৭ খন বিদ্যালয়ৰ ৩৮ লাখ ৯৮ হাজাৰৰো অধিক শিক্ষাৰ্থীৰ বিদ্যায়তনিক মূল্যায়ন কৰা হৈছে।

০০০০

ৰাজ্যৰ ১১ খন জিলাৰ নিৰ্বাচিত ২০০ খন নিম্ন প্ৰাথমিক বিদ্যালয়ত অনাগত শিক্ষাবৰ্ষত মিছিং ভাষাৰ মাধ্যমত পাঠদান আৰম্ভ হ'ব। জনতা ভৱনত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুয়ে আজি জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ সৈতে এখন ভাৰ্চুৱেল বৈঠকত মিলিত হয়। এই বৈঠকতে শিক্ষামন্ত্ৰীগৰাকীয়ে নিৰ্বাচিত বিদ্যালয়কেইখনত অহা ২ এপ্ৰিলৰ পৰা মিছিং ভাষাৰ মাধ্যমত পাঠদান আৰম্ভ হ'ব বুলি ঘোষণা কৰে। বৈঠকখনত মিছিং স্বায়ত্বশাসিত পৰিষদৰ কাৰ্যালয়ৰ বিষয়ববীয়াও উপস্থিত থাকে। উল্লেখযোগ্য যে নতুন শিক্ষা পদ্ধতি ২০২০ৰ কাৰ্যকৰীকৰণেৰে ৰাজ্য চৰকাৰে এই ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০

অসমীয়া সাহিত্যৰ কাণ্ডাৰী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে।

দৰং জিলা সাহিত্য সভাৰ উদ্যোগত আৰু মঙলদৈ সাহিত্য সভাৰ সহযোগত আজি সাহিত্য সভা প্ৰকল্পত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ৮৭ স্মৃতি দিৱস পালন কৰা হৈছে। অনুষ্ঠানত দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ সভাপতি ধীৰেন্দ্ৰ কুমাৰ শৰ্মা, জিলা সাহিত্য সভাৰ সম্পাদক মৃনাল ৰাজবংশী, জ্যেষ্ঠ সাংবাদিক ভাৰ্গৱ কুমাৰ দাসৰ লগতে ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ডিব্ৰুগড় আৰু কোকৰাঝাৰ জিলাতো সাহিত্যিকগৰাকীৰ স্মৃতি দিৱস বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয়।

০০০০

সংস্কৃতিৰ সাধক তথা অসম সৌৰভ বঁটা প্ৰাপক, আবাহন থিয়েটাৰৰ প্ৰতিষ্ঠাপক কৃষ্ণ ৰয়লৈ ভট্টদেৱ বিশ্ববিদ্যালয়ে সন্মানীয় ডক্টৰেট ডিগ্ৰী আগবঢ়াইছে। অহা ২৯ মাৰ্চত হ'বলগীয়া বিশ্ববিদ্যালয়খনৰ প্ৰথম দীক্ষান্ত সমাৰোহত বিশিষ্ট নাট্যকৰ্মীগৰাকীক বঁটা প্ৰদান কৰা হ'ব। আবাহন থিয়েটাৰৰ জৰিয়তে অসমৰ ভ্ৰাম্যমান থিয়েটাৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে ২০২২ বৰ্ষত অসম সৌৰভ বঁটা আগবঢ়োৱা হয়।

০০০০

গুৱাহাটীত কালি গ্ৰেপ্তাৰ কৰা পোৰ্টেল চেনেলৰ সাংবাদিক তথা গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সাধাৰণ সম্পাদক দিলোৱাৰ হুছেইন মজুমদাৰক আজি গুৱাহাটীৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে জামিন মঞ্জুৰ কৰিছে। সাংবাদিকগৰাকীৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ১১০/২৫ আৰু ১১১/২৫ ধাৰাত ৰুজু কৰা দুটা গোচৰৰ জামিন আবেদনৰ বিপক্ষে চৰকাৰী পক্ষই আগবঢ়োৱা যুক্তি

পতিয়নযোগ্য নহয় বুলি আদালতে মত প্ৰকাশ কৰে আৰু তেওঁৰ বিৰুদ্ধে জামিন মঞ্জুৰ কৰে। অৱশ্যে জামিনৰ বাবদ ২০ হাজাৰ টকা আদায় দিব নোৱাৰা হেতুকে সাংবাদিকগৰাকীয়ে আজিও পাণবজাৰ থানাতে কটাবলগীয়া হয়।

ইয়াৰ আগতে সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰৰ বিৰোধিতা কৰি আজি দিনৰ ভাগত গুৱাহাটী প্ৰেছ ক্লাবৰ লগতে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ সাংবাদিকসকলেও প্ৰতিবাদ সাব্যস্ত কৰে।

০০০০

অসম বিধানসভাৰ ৰাজহুৱা হিচাপ সমিতিৰ এটা প্ৰতিনিধি দলে আজি হোজাই জিলাত উপস্থিত হৈ জিলাখনত ৰূপায়ণ হৈ থকা বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজ পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ অন্তত আবেলি জিলা সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত আয়ুক্ত আৰু জিলাখনৰ বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়াসকলৰ উপস্থিতিত এখন পৰ্যালোচনা সভাত মিলিত হয়।

০০০০

বাক্সা জিলাৰ বাহবাৰীত আজি ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অধীনত এটা বিনামুলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। ৰাজ্যৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই এই শিবিৰত উপস্থিত থাকে।

০০০০

অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ শিৱসাগৰৰ আঞ্চলিক কাৰ্যালয় আৰু গৱেষণাগাৰৰ তত্বাৱধনত আজি মাজুলী মহাবিদ্যালয়ত জিলাখনৰ বায়ুৰ গুণাগুণ আৰু মান পৰ্যবেক্ষণৰ বাবে মহাবিদ্যালয়খনত এটা পৰীক্ষাগাৰৰ মুকলি কৰা হয়। গৱেষণাগাৰটো আনুষ্ঠানিকভাৱে মুকলি কৰি শিৱসাগৰ আঞ্চলিক কাৰ্যালয়ৰ মুৰব্বী বিষয়া জয়ন্ত দত্তই গৱেষণাগাৰটোৰ স্থাপনৰ উদ্দেশ্যৰ বিষয়ে আলোকপাত কৰে। উল্লেখযোগ্য যে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ  শিৱসাগৰ কাৰ্যালয় আৰু গৱেষণাগাৰৰ সৈতে মহাবিদ্যালয়খনৰ ৰসায়ন বিজ্ঞান বিভাগৰ এখন বুজাবুজি চুক্তি স্বাক্ষৰিত হৈছে।

০০০০

ডিব্ৰুগড়ৰ আমোলাপট্টিৰ শেৱালী পথ নিৱাসী তথা ডিব্ৰুগড়ৰ মুখ্য ন্যায়িক দণ্ডাধীশ আদালতৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী আতাউৰ ৰহমানৰ আজি নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬১ বছৰ।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত অনুষ্ঠিত খেলত ৰাজস্থান ৰয়েলছে-কলকাতা নাইট ৰাইডাৰ্ছক জয়ৰ বাবে ১৫২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। প্ৰথমে বেটিং কৰি ৰাজস্থান ৰয়েলছে নিৰ্ধাৰিত ২০ অভাৰত ৯ টা উইকেট হেৰুৱাই ১৫১ ৰাণ সংগ্ৰহ কৰে।

প্ৰতিযোগিতাত একেখন ষ্টেডিয়ামতে অহা ৩০ মাৰ্চত হ'বলগীয়া আন এখন খেলত চেন্নাই ছুপাৰ কিংছে ৰাজস্থানৰ ৰয়েলছৰ বিৰুদ্ধে খেলিব।

০০০০

ঃঃ সমাপ্ত ঃঃ